समग्र शिक्षा
Samagra Shiksha
সমগ্ৰ শিক্ষা

Under CSR Support by
ipca | Foundation

নৱম শ্ৰেণীৰ বাবে

বিজ্ঞান

অধ্যায় - ৫

জীৱৰ মৌলিক একক

অংশ - ৭
প্ৰশ্নোত্তৰ

জাহ্নবী দাস

প্ৰশ্নাৱলী

1। কোষ কোনে আৰু কেনেকৈ আৱিষ্কাৰ কৰিছিল?



প্ৰশ্নাৱলী

1। কোষ কোনে আৰু কেনেকৈ আৱিষ্কাৰ কৰিছিল?

উত্তৰঃ- কোষ 1665 খ্ৰীষ্টাব্দত ৰবাৰ্ট হুকে পোন প্ৰথমে কোষ আৱিষ্কাৰ কৰিছিল।

ৰবাৰ্ট হুকে এটুকুৰা কৰ্ক (Cork) ৰ পাতল চ্ছেদ পৰীক্ষা কৰি মৌকোঁহৰ নিচিনা কিছুমান খোঁটালি দেখা পাইছিল। কৰ্ক হ'ল গছৰ বাকলিৰ পৰা সৃষ্টি হোৱা এবিধ উপাদান।

অণুবীক্ষণ যন্ত্রৰ সহায়ত এই পর্যবেক্ষণৰদ্বাৰা এই খোঁটালিবোৰ দেখাৰ সৌভাগ্য ঘটিছিল। ৰবার্ট হুকে সেই খোঁটালিবোৰকে "কোষ" (Cell) বুলি আখ্যা দিছিল। 1674 খ্ৰীষ্টাব্দত লিউৱেনহুকে (Leeuwenhook) কিছু উন্নত অণুবীক্ষণ যন্ত্রৰ সহায়ত পুখুৰীৰ পানী নিৰীক্ষণ কৰি পোন প্ৰথমে কিছুমান মুক্তভাৱে চলাচল কৰি থকা জীৱ দেখা পাইছিল।

समग्र शिक्षा
Samagra Shiksha
সমগ্ৰ শিক্ষা

Under CSR Support by
ipca | Foundation

21 কোষক কিয় গঠনৰ আৰু কাৰ্যৰ মৌলিক একক বুলি অভিহিত কৰা হয়?



समग्र शिक्षा
Samagra Shiksha
সমগ্ৰ শিক্ষা

Under CSR Support by
ipca | Foundation


21 কোষক কিয় গঠনৰ আৰু কাৰ্যৰ মৌলিক একক বুলি অভিহিত কৰা হয়?

উত্তৰঃ- কোষবোৰ ইটোৰ লগত সিটো লগ হৈ একোটা অংগ আৰু পিছত অংগবোৰ লগ হৈ এটা বহুকোষী জীৱৰ দেহ গঠন হয়। ঠিক তেনেদৰে এককোষী প্ৰাণী দেহৰ গঠনত সেই কোষটোকে বুজায়। আমি যেতিয়া এটা পিয়াঁজৰ কান্দ অণুবীক্ষণ যন্ত্ৰৰে নিৰীক্ষণ কৰো তেতিয়া দেখিবলৈ পাঁও যে, কিছুমান সৰু সৰু গঠন ইটোৰ লগত সিটো লগ হৈ ডাঙৰ পিয়াঁজৰ কান্দ গঠন হয়।

समग्र शिक्षा
Samagra Shiksha
সমগ্ৰ শিক্ষা

Under CSR Support by
ipca | Foundation

এই গঠনবোৰ দেখিবলৈ একে। আমি দেখিবলৈ পোৱা এই সৰু সৰু গঠন বিলাকেই হ'ল পিয়াজৰ কান্দটোৰ গঠনৰ মৌলিক একক। এই গঠনবিলাকেই কোষ হয়। কেৱল পিয়াঁজেই নহয়, আমাৰ চাৰিওপাশে দেখিবলৈ পোৱা সকলোবিলাক জীৱই এনে কোষৰ সমষ্টিৰে গঠিত।




समग्र शिक्षा
Samagra Shiksha
সমগ্র শিক্ষা

Under CSR Support by
ipca | Foundation

3। CO, আৰু পানীৰ দৰে পদাৰ্থবিলাক কোষৰ ভিতৰলৈ বা বাহিৰলৈ কেনে দৰে চলাচল কৰে আলোচনা কৰা।

উত্তৰঃ-CO_2ৰ দৰে গেছীয় পদাৰ্থবোৰ ব্যাপণ প্ৰক্ৰিয়াৰে কোষৰ ভিতৰলৈ বা বাহিৰলৈ চলাচল কৰে। পানীৰ ক্ষেত্ৰটো ব্যাপণৰ নীতি প্ৰযোজ্য। অৰ্ধভেদ্য আৱৰণৰ মাজেদি পানীৰ অণু ব্যাপণ হোৱা প্ৰক্ৰিয়াক আসৃতি বুলি কোৱা হয়। ব্যাপণ প্ৰক্ৰিয়া সদায় এটা পদাৰ্থৰ গাঢ়তাৰ তাৰতম্য ফলত হয়।

যেতিয়া কোষৰ ভিতৰত থকা CO_2ৰ গাঢ়তা কোষৰ বাহিৰত থকা CO_2 গাঢ়তাতকৈ বেছি হয়। তেতিয়া CO_2 ব্যাপন প্ৰক্ৰিয়াৰে কোষৰ বাহিৰলৈ ওলাই আহে। ঠিক তেনেকৈ পানীও গাঢ়তাৰ তাৰতম্যৰ কাৰণে কোষৰ ভিতৰত ওলোৱা-সোমোৱা কৰে। কিন্তু, পানীৰ ব্যাপন প্ৰক্ৰিয়াটোকে আমি আসৃতি নামেৰে জানো।



সমগ্র শিক্ষা
Samagra Shiksha
সমগ্র শিক্ষা

Under CSR Support by
ipca | Foundation

4। কোষাবৰণখনক কিয় অৰ্ধভেদ্য আৱৰণ বুলি আখ্যা দিয়া হয়?

উত্তৰঃ- কোষস্থ দ্ৰব্যক আগুৰি থকা বহিঃ আৱৰণখন হ'ল কোষাবৰণ। কোষাবৰণখনে এটা কোষৰ ভিতৰলৈ (লাগতিয়াল) আৰু বাহিৰলৈ (অলাগতিয়াল) দ্ৰব্যবোৰ অহা যোৱা কৰাত সহায় কৰে। আনহাতে, ই আকৌ কিছুমান দ্ৰব্য সৰকি যোৱাত বা ভেদ কৰাত বাধা দিয়ে। সেইবাবে, কোষাবৰণখণক অৰ্ধভেদ্য আৱৰণ বুলি কোৱা হয়।

5।

প্ৰকোষকেন্দ্ৰীয় কোষ আৰু সংকোষকেন্দ্ৰীয় কোষৰ মাজত ব্যাখ্যামূলক পাৰ্থক্য দাঙি ধৰি তলৰ তালিকাখন পূৰ্ণ কৰা।



প্ৰকোষকেন্দ্ৰীয় কোষ	সংকোষকেন্দ্ৰীয় কোষ
1. আকাৰঃ সাধাৰণতে সৰু (1-10 μমাইক্রন) 1 μমাইক্রন = 10^{-6} m	1. আকাৰঃ সাধাৰণতে ডাঙৰ (5-100 μমাইক্রন)
2. কোষৰ কেন্দ্ৰাঞ্চল:_____ আৰু ইয়াক_____ বুলি জনা যায়।	2. কোষৰ কেন্দ্ৰাঞ্চল: সু-নির্দিষ্ট আৰু ইয়াক কেন্দ্ৰাৱৰণে আবৃত কৰি ৰাখে।
3. ক্রম'জ'ম: এডাল।	3. ক্রম'জ'ম: এডালতকৈ বেছি থাকে।
4. আৱৰণী বিশিষ্ট কোষ অংগাণু নাথাকে।	4_____ _____


समग्र शिक्षा
Samagra Shiksha
সমগ্ৰ শিক্ষা

Under CSR Support by
ipca | Foundation

উত্তৰঃ-

প্রকোষকেন্দ্রীয় কোষ	সংকোষকেন্দ্রীয় কোষ
1. আকাৰঃ সাধাৰণতে সৰু (1-10 μমাইক্রন) 1 μমাইক্রন = 10^{-6} m	1. আকাৰঃ সাধাৰণতে ডাঙৰ (5-100 μমাইক্রন)
2. কোষৰ কেন্দ্রাঞ্চল: কেৱল নিউক্লিক এচিডহে থাকে আৰু ইয়াক নিউক্লিয়ড বুলি জনা যায়।	2. কোষৰ কেন্দ্রাঞ্চল: সু-নির্দিষ্ট আৰু ইয়াক কেন্দ্রাৱৰণে আবৃত কৰি ৰাখে।
3. ক্রম'জ'ম: এডাল।	3. ক্রম'জ'ম: এডালতকৈ বেছি থাকে।
4. আৱৰণী বিশিষ্ট কোষ অংগাণু নাথাকে।	4 আৱৰণী বিশিষ্ট কোষ আংগানু থাকে।

6। তুমি অধ্যয়ন কৰি অহা কোষ অংগাণুবিলাকৰ ভিতৰত এনে দুটা কোষ অংগাণুৰ নাম উল্লেখ কৰা যি দুটাত আণুবংশিক পদার্থ (Genetie material) থাকে।



6। তুমি অধ্যয়ন কৰি অহা কোষ অংগাণুবিলাকৰ ভিতৰত এনে দুটা কোষ অংগাণুৰ নাম উল্লেখ কৰা যি দুটাত আণুবংশিক পদার্থ (Genetie material) থাকে।

উত্তৰঃ- আণুবংশিক পদার্থ থকা কোষ অংগাণু কেইটা হ'ল মাইট'কন্দ্রিয়া আৰু প্লাষ্টিড (উদ্ভিদকোষত পোৱা যায়)।

7। যদিহে কিছুমান ভৌতিক বা ৰাসায়নিক কাৰকৰ প্ৰভাৱত কোষীয় সংগঠনৰ ক্ষতি হয় তেতিয়া কি হ'ব?



समग्र शिक्षा
Samagra Shiksha
সমগ্ৰ শিক্ষা

Under CSR Support by
ipca | Foundation

7। **যদিহে কিছুমান ভৌতিক বা ৰাসায়নিক কাৰকৰ প্ৰভাৱত কোষীয় সংগঠনৰ ক্ষতি হয় তেতিয়া কি হ'ব?**

উত্তৰঃ- যদি ভৌতিক বা ৰাসায়নিক কাৰকৰ প্ৰভাৱত কোষৰ সংগঠনৰ ক্ষতি হয়, তেতিয়া কোষটো মৰি যায়। কোষ এটা মৰি গ'লে কোষত থকা লাইছজমে সিহঁতৰ ভিতৰত থকা জল বিয়োজক উৎসেচকবিলাক নিঃসৰণ কৰি নিজে থকা কোষটো ধংস কৰি দিয়ে।

समग्र शिक्षा
Samagra Shiksha
সমগ্ৰ শিক্ষা

Under CSR Support by
ipca | Foundation

৪। লাইছ'জ'মক কিয় কোষৰ আত্মঘাতী মোনা বুলি আখ্যা দিয়া হয়?



समग्र शिक्षा
Samagra Shiksha
সমগ্ৰ শিক্ষা

Under CSR Support by
ipca | Foundation

৪। লাইছ'জ'মক কিয় কোষৰ আত্মঘাতী মোনা বুলি আখ্যা দিয়া হয়?

উত্তৰঃ- যেতিয়া কোষ এটা মৰি যায় তেতিয়া তাত থকা লাইছ'জ'মে সিহঁতৰ ভিতৰত থকা জলবিয়োজক উৎসেচক নিঃসৰণ কৰি নিজে থকা কোষটো ধ্বংস কৰি পেলাই। সেইবাবে ইয়াক কোষৰ আত্মমাতী মোনা বোলে।

समग्र शिक्षा
Samagra Shiksha
সমগ্ৰ শিক্ষা

Under CSR Support by
ipca | Foundation

৪। কোষৰ অভ্যন্তৰৰ ক'ত প্ৰ'টিন সংশ্লেষণ সংঘটিত হয় ?



समग्र शिक्षा
Samagra Shiksha
সমগ্ৰ শিক্ষা

Under CSR Support by
ipca | Foundation

৪। কোষৰ অভ্যন্তৰৰ ক'ত প্ৰ'টিন সংশ্লেষণ সংঘটিত হয় ?

উত্তৰঃ- কোষৰ অভ্যন্তৰৰ ৰাইব'জ'মত প্ৰ'টিন সংশ্লেষণ হয়। কিন্তু, কোষস্থ অংগাণু মাইট'কন্দ্ৰিয়া আৰু উদ্ভিদ কোষৰ প্লাষ্টিড নিজা নিজা ৰাইব'জ'ম থাকে । সেয়েহে মাইট'কন্দ্ৰিয়া আৰু প্লাষ্টিডৰ ভিতৰতও প্ৰ'টিন সংশ্লেষণ হয়।

অনুশীলনী

1। উদ্ভিদ কোষ আৰু প্ৰাণী কোষৰ মাজত তুলনা কৰা আৰু কি কি ক্ষেত্ৰত উদ্ভিদ কোষ এটা প্ৰাণী কোষতকৈ পৃথক উল্লেখ কৰা।

অনুশীলনী

1। উদ্ভিদ কোষ আৰু প্ৰাণী কোষৰ মাজত তুলনা কৰা আৰু কি কি ক্ষেত্ৰত উদ্ভিদ কোষ এটা প্ৰাণী কোষতকৈ পৃথক উল্লেখ কৰা।

উত্তৰঃ-

উদ্ভিদকোষ	প্ৰাণীকোষ
১। কোষবেৰ পোৱা যায়	১। কোষবেৰ পোৱা নাযায়।
২। প্লাষ্টিড থাকে	২। প্লাষ্টিড নাথাকে।
৩। ক্লো'ৰপ্লাষ্টৰ সহায়ত সালোক সংসশ্লেষণ কৰিব পাৰে।	৩। ক্লো'ৰপ্লাষ্ট নাথাকে।

৫। উদ্ভিদকোষৰ ৰসধানীবিলাক যথেষ্ট ডাঙৰ	৫। প্ৰাণীকোষৰ ৰসধানীবিলাক আকাৰত সৰু।



समग्र शिक्षा
Samagra Shiksha
সমগ্ৰ শিক্ষা

Under CSR Support by
ipca | Foundation

21 কি কি ক্ষেত্ৰত প্ৰকোষকেন্দ্ৰীয় কোষবিলাক সংকোষকেন্দ্ৰীয় কোষতকৈ পৃথক উল্লেখ কৰা।



2। কি কি ক্ষেত্ৰত প্ৰকোষকেন্দ্ৰীয় কোষবিলাক সংকোষকেন্দ্ৰীয় কোষতকৈ পৃথক উল্লেখ কৰা।

উত্তৰঃ-

প্ৰকোষকেন্দ্ৰীয় কোষ	সংকোষকোন্দ্ৰীয় কোষ
১। আকাৰত সাধাৰণতে সৰু হয়।	২। আকাৰত ডাঙৰ হয়।
২। সুনিৰ্দিষ্ট কোষ কেন্দ্ৰ পোৱা নাযায়।	২। সুনিৰ্দিষ্ট কোষকেন্দ্ৰ পোৱা যায়।
৩। কোষকেন্দ্ৰাৱৰণ পোৱা নাযায়।	৩। কোষকেন্দ্ৰক আগুৰি কোষকেন্দ্ৰাৱৰণ থাকে।
৪। মাইট্ কন্দ্ৰিয়া আৰু প্লাষ্টিড পোৱা নাযায়।	৪। মাইট্ 'কন্দ্ৰিয়া আৰু প্লাষ্টিড থাকে।

समग्र शिक्षा
Samagra Shiksha
সমগ্ৰ শিক্ষা

Under CSR Support by
ipca | Foundation

৫। প্ৰকোষকেন্দ্ৰীয় কোষৰ উদাহৰণ হ'ল- বেক্টেৰিয়া	৫। সংকোষকেন্দ্ৰীয় কোষৰ উদাহৰণ হ'ল- প্ৰাণীকোষ, উদ্ভিদকোষ আদি।



समग्र शिक्षा
Samagra Shiksha
সমগ্ৰ শিক্ষা

Under CSR Support by
ipca | Foundation

3। কোষৰ কোষাৱৰণখন ফাটি গ'লে কি হ'ব?



समग्र शिक्षा
Samagra Shiksha
সমগ্ৰ শিক্ষা

Under CSR Support by
ipca | Foundation

৩। কোষৰ কোষাৱৰণখন ফাটি গ'লে কি হ'ব?

উত্তৰঃ- কোষৰ কোষাৱৰণখন ফাটি গ'লে কোষস্থ পদাৰ্থবোৰ মুক্ত হৈ পৰিব। লগতে কোষত হ'ব লগা জৈৱিক কাৰ্যবোৰ নহ'ব। যেনে; ব্যাপনৰ সহায়ত গেছৰ চলাচল, আবৃত্তিৰ সহায়ত পানী চলাচল ইত্যাদি। ফলত কোষটো মৰি যাব।

समग्र शिक्षा
Samagra Shiksha
সমগ্ৰ শিক্ষা

Under CSR Support by
ipca | Foundation

4। কোষ একোটাত যদি গলজি সংঘ নাথাকে তেন্তে কোষটোৰ জীৱনত কি প্ৰভাৱ পৰিব?



समग्र शिक्षा
Samagra Shiksha
সমগ্ৰ শিক্ষা

Under CSR Support by
ipca | Foundation

4। **কোষ একোটাত যদি গলজি সংঘ নাথাকে তেন্তে কোষটোৰ জীৱনত কি প্ৰভাৱ পৰিব?**

উত্তৰঃ- অন্তঃপ্ৰৰসীয় জালিকাৰ গাতে সংশ্লেষিত হোৱা পদাৰ্থসমূহ গলগি সংঘই কোষৰ ভিতৰৰ পৰা বাহিৰলৈ অনা-নিয়াত অংশ গ্ৰহণ কৰে। গলগি সংঘৰ কাৰ্য হ'ল সঞ্চয়, উৎপাদিত পদাৰ্থবিলাকৰ বন্ধন আৰু ৰূপান্তৰ। কোনো কোনো ক্ষেত্ৰত গলগি সংঘই সৰল শৰ্কৰাক জটিল শৰ্কৰালৈ পৰিৱৰ্তন কৰিব পাৰে।


গলগি সংঘই লা'ইছ'জম গঠন কৰাতো সহায় কৰে। গতিকে গলগি সংঘ নাথাকিলে কোষটোৰ এইবোৰ কার্য বন্ধ হ'ব আৰু ফলত কোষটো মৰি যাব।



समग्र शिक्षा
Samagra Shiksha
সমগ্ৰ শিক্ষা

Under CSR Support by
ipca | Foundation

5। কোনটো কোষ অংগাণুক কোষৰ শক্তিৰ ভঁৰাল বুলি আখ্যা দিয়া হয় আৰু কিয়?



समग्र शिक्षा
Samagra Shiksha
সমগ্ৰ শিক্ষা

Under CSR Support by
ipca | Foundation

5। কোনটো কোষ অংগাণুক কোষৰ শক্তিৰ ভঁৰাল বুলি আখ্যা দিয়া হয় আৰু কিয়?

উত্তৰঃ- কোষৰ শক্তি ভঁৰাল বুলি মাইট'কন্দ্রিয়াক আখ্যা দিয়া হয়। কাৰণ জীৱৰ জীৱন নির্বাহত সংঘটিত হোৱা বিভিন্ন ৰাসায়নিক বিক্রিয়াৰ বাবে প্রয়োজনীয় শক্তি নিহিত হৈ থকা এ.টি.পি (A.T.P)ৰ অনুবিলাক মাইট'কন্দ্রিয়াই উৎপন্ন কৰে। এ.টি.পি (A.T.P) অণুক কোষীয় শক্তি মুদ্রা বুলিও কোৱা হয়।

6। কোষাৱৰণখন গঠনৰ বাবে লাগতিয়াল লিপিড আৰু প্ৰ'টিনবিলাক ক'ত সংশোধিত হয়?



समग्र शिक्षा
Samagra Shiksha
সমগ্ৰ শিক্ষা

Under CSR Support by
ipca | Foundation

6। কোষাৱৰণখন গঠনৰ বাবে লাগতিয়াল লিপিড আৰু প্ৰ'টিনবিলাক ক'ত সংশোধিত হয়?

উত্তৰঃ- কোষাৱৰণ গঠনৰ বাবে প্ৰয়োজনীয় লিপিড আৰু প্ৰ'টিনবিলাক অন্তঃপ্ৰৰসীয় জালিকাত সংশোধিত হয়। সকলোবোৰ সক্ৰিয় কোষৰ ৰাইব'জ'ম বিলাকে প্ৰ'টিন উৎপাদন কৰে। উৎপাদিত প্ৰ'টিনবিলাক প্ৰয়োজনুসাৰে কোষৰ বিভিন্ন ঠাইলৈ অন্তঃপ্ৰৰসীয় জালিকাবিলাকৰ যোগেদি পঠিয়াই দিয়ে।

মসৃণ (মিহি) অন্তঃ প্ৰৰসীয় জালিকাবিলাকে কোষীয় কার্যৰ বাবে লাগতিয়াল স্নেহ জাতীয় পদার্থ বা লিপিড সংশ্লেষণত সহায় কৰে।



7। এমিবাই কি দৰে আহাৰ গ্ৰহণ কৰে?



समग्र शिक्षा
Samagra Shiksha
সমগ্ৰ শিক্ষা

Under CSR Support by
ipca | Foundation


7। এমিবাই কি দৰে আহাৰ গ্ৰহণ কৰে?

উত্তৰঃ- এমিবাই অন্তঃকোষীয় ভক্ষণ প্ৰক্ৰিয়াৰে খাদ্য গ্ৰহণ কৰে। কোষাৱৰণ নমনীয় গুণবিশিষ্ট হোৱাৰ বাবে কোষে বহিঃপৰিৱেশৰ পৰা খাদ্য আৰু অন্য বস্তু গিলিব পাৰে। এনে প্ৰক্ৰিয়াক অন্তঃকোষীয় ভক্ষণ বুলি কোৱা হয়।

समग्र शिक्षा
Samagra Shiksha
সমগ্র শিক্ষা

Under CSR Support by
ipca | Foundation

৪। আসৃতি কি?




समग्र शिक्षा
Samagra Shiksha
সমগ্ৰ শিক্ষা

Under CSR Support by
ipca | Foundation

৪। আসৃতি কি?

উত্তৰঃ- আসৃতি হ'ল অর্ধভেদ্য আৱৰণৰ মাজেদি সংঘটিত হোৱা এক বিশেষ ধৰণৰ ব্যাপন।



সমগ্র শিক্ষা
Samagra Shiksha
সমগ্র শিক্ষা

Under CSR Support by
ipca | Foundation

9।

আসৃতিৰ বাবে তলৰ পৰীক্ষাটো কৰি চোৱা। বাকলি গুচোৱা আলুগুটি চাৰিফাল লোৱা আৰু প্ৰত্যেক টুকুৰাৰ মাজৰ অংশটো এৰুৱাই একোটা পিয়লাৰ নিচিনা কৰি লোৱা। ইয়াৰে এটুকুৰা সিজাই লোৱা আলুৰ পৰা লবা (ক, খ, গ, ঘ নামাংকিত কৰি লবা)

(ক) 'ক' পিয়লাটো খালী কৰি ৰাখিবা।

(খ) খ' পিয়লাটোত এচামুচ (শৰ্কৰা বা চেনি দি দিয়া)


(গ) 'গ' পিয়ালটোত এচামুচ শৰ্কৰা বা নিমখ দি দিয়া।

(ঘ) 'ঘ' পিয়লাটো যিটো সিজোৱা আলুৰ পৰা তৈয়াৰ কৰিছিলা সেইটোতও চেনি এচামুচ দি দিয়া।

समग्र शिक्षा
Samagra Shiksha
সমগ্ৰ শিক্ষা

Under CSR Support by
ipca | Foundation

আটাইকেইটা প্রায় দুই ঘণ্টামান ৰাখি পিছত নিৰীক্ষণ কৰি তলৰ প্ৰশ্নকেইটাৰ উত্তৰ দিয়া।



(i) 'খ' আৰু 'গ' পিয়লাটোৰ খালী হৈ থকা অংশটো কিয় পানীৰে ভৰি পৰিল।

समग्र शिक्षा
Samagra Shiksha
সমগ্ৰ শিক্ষা

Under CSR Support by
ipca | Foundation

আটাইকেইটা প্রায় দুই ঘণ্টামান ৰাখি পিছত নিৰীক্ষণ কৰি তলৰ প্ৰশ্নকেইটাৰ উত্তৰ দিয়া।

(i) 'খ' আৰু 'গ' পিয়লাটোৰ খালী হৈ থকা অংশটো কিয় পানীৰে ভৰি পৰিল।

উত্তৰঃ 'খ' আৰু 'গ' পিয়লাটো আসৃতিৰ বাবে পানীৰে ভৰি পৰিল।

(ii) 'এই' পৰীক্ষটোৰ বাবে 'ক' পিয়লাটো কিয় প্রয়োজন?



(ii) 'এই' পৰীক্ষটোৰ বাবে 'ক' পিয়লাটো কিয় প্ৰয়োজন?

উত্তৰঃ আলুৰ পৰা যে পানী নিৰ্গত হোৱা নাই তাক চাবলৈ 'ক' পিয়লাটোৰ প্ৰয়োজন।

(iii) 'ক' আৰু 'ঘ' পিয়লাটোৰ খালী হৈ থকা অংশটো কিয় পানীৰে ভৰি নপৰিল কাৰণ দৰ্শাই বৰ্ণনা দিয়া।



(iii) 'ক' আৰু 'ঘ' পিয়লাটোৰ খালী হৈ থকা অংশটো কিয় পানীৰে ভৰি নপৰিল কাৰণ দৰ্শাই বৰ্ণনা দিয়া।

উত্তৰঃ "ক" পিয়লাটোত কোনো দ্ৰৱ নাই। ফলত তাত আসৃতি হ'ব পৰা নাই। দ্বিতীয় "ঘ" পিয়লাটোৰ কোষবোৰ সিজাই দিয়া বাবে মৃত। ফলত তাতও অৰ্ধভেদ্য আৱৰণৰ মাজেৰে পাৰ হ'ব পৰা নাই। সেইকাৰণে পিয়লাটোৰ খালি অংশ পানীৰে ভৰি নপৰিল।